**2024**

# ASSAMESE

(Major)

ASSA-MAJ-2014

অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদই যুগৰ পৰা ৰামধেনু যুগলৈ)

**Total Marks : 60**

**Time : 2½ Hours**

*Total number of printed pages - 3*

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰটি বাছি উলিওৱা ঃ ১×৭=৭

(ক) 'অৰুণোদয়' আলোচনীৰ প্ৰথম সম্পাদক কোন?

(অ) নাথান ব্ৰাউন (আ) মাইল্‌ছ ব্ৰন্সন

(ই) এ. কে. গাৰ্নি (ঈ) উইলিয়াম ৰবিনছন

(খ) 'কানীয়াৰ কীৰ্ত্তন' নাটকখনৰ নাট্যকাৰ —

(অ) গুণাভিৰাম বৰুৱা (আ) হেমচন্দ্ৰ বৰুৱা

(ই) আনন্দৰাম ঢেকীয়াল ফুকন (ঈ) পদ্মনাথ গোহাঞিবৰুৱা

(গ) গুৱাহাটীৰ পৰা প্ৰকাশিত 'জোনাকী'ৰ প্ৰথম সম্পাদক আছিল —

(অ) চন্দ্ৰ কুমাৰ আগৰৱালা (আ) লক্ষ্মীনাথ বেজবৰুৱা

(ই) সত্যনাথ বৰা (ঈ) হেমচন্দ্ৰ গোস্বামী

(ঘ) 'আৱাহন' আলোচনীৰ প্ৰকাশৰ চনটো কি?

(অ) ১৮৮৯ (আ) ১৯২৯

(ই) ১৯৩৬ (ঈ) ১৯৫০

*পিপিঠিত*

(ঙ) 'নির্মল ভকত' উপন্যাসখনৰ লিখক —

(অ) পদ্মনাথ গোহাঞিঃ বৰুৱা (আ) ৰজনীকান্ত বৰদলৈ

(ই) দণ্ডিনাথ কলিতা (ঈ) লক্ষ্মীনাথ বেজবৰুৱা

(চ) তলৰ কোনগৰাকী আৱাহন যুগৰ গল্পকাৰ নহয়?

(অ) ৰমা দাশ (আ) সৌৰভ কুমাৰ চলিহা

(ই) নগেন্দ্ৰ নাৰায়ণ চৌধুৰী (ঈ) লক্ষ্মীধৰ শৰ্মা

(ছ) নিৰুপমা বৰগোহাঞিয়ে সাহিত্য অকাডেমি বঁটা লাভ কৰা উপন্যাসখন—

(অ) সেই নদী নিৰৱধি (আ) ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ

(ই) অভিযাত্ৰী (ঈ) দিনৰ পাছত দিন

২। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা ঃ ২×৪=৮

(ক) 'অৰুণোদয়'ৰ প্ৰভাৱমুক্ত দুগৰাকী লেখকৰ নাম লিখা।

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন চুটিগল্প সংকলনৰ নাম লিখা।

(গ) ৰামধেনু যুগৰ সাহিত্যৰ দুটা বিশেষত্ব লিখা।

(ঘ) বীণা বৰুৱাৰ চুটিগল্প পুথিদুখন কি কি?

৩। যিকোনো তিনিটাৰ চমুটোকা লিখা ঃ ৫×৩=১৫

(ক) হেমচন্দ্ৰ বৰুৱা

(খ) হেমচন্দ্ৰ গোস্বামী

(গ) চন্দ্ৰধৰ বৰুৱাৰ নাটক

(ঘ) ত্ৰৈলোক্যনাথ গোস্বামীৰ চুটিগল্প

(ঙ) নিৰুপমা বৰগোহাঞিৰ উপন্যাস

৪। তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

(ক) অসমীয়া ভাষা-সাহিত্যলৈ অৰুণোদয় যুগৰ অৱদান সম্পৰ্কে এটি টোকা যুগুত কৰা।

(খ) অৰুণোদয় যুগৰ খ্ৰীষ্টান মিছনেৰীসকলৰ ৰচনাৰাজিৰ এটি পৰিচয়মূলক আলোচনা দাঙি ধৰা।

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ কাব্য প্ৰতিভা সম্পৰ্কে লিখা।

(ঘ) আৱাহন যুগৰ চুটিগল্পৰ বিশেষত্ব সমূহ উদাহৰণসহ আলোচনা আগবঢ়োৱা।

(ঙ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাস সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

× × ×